# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 24-MAR-2026

**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

বিধানসভা নিৰ্বাচনত ১২৬টা সমষ্টিৰ বাবে ৮১৮ জন প্ৰতিদ্বন্দ্বীয়ে এহেজাৰ ৩৯১ খন মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ কালি শেষৰ দিনা বিভিন্ন জিলাত ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে দলীয় সতীৰ্থৰ উপস্থিতিত সমদল উলিয়াই জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত মনোনয়ন দাখিল কৰে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি বোকাখাত সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী অগপৰ অতুল বৰাৰ মনোনয়নৰ সময়ত উপস্থিত থাকে। ইয়াৰ পাছত বিজেপি নেতাগৰাকীয়ে নগাঁৱত মিত্ৰদল অসম গণ পৰিষদৰ কলিয়াবৰ সমষ্টিৰ প্ৰাৰ্থী কেশৱ মহন্তৰ মনোনয়ন দাখিলতো সংগ দিয়ে। **গোলাঘাট** জিলাত ৫টা বিধানসভা সমষ্টিৰ বাবে মুঠ ১৯ গৰাকী প্ৰাৰ্থীয়ে কালি মনোনয়ন দাখিল কৰে। ইয়াৰ ভিতৰত কংগ্ৰেছৰ বিতোপন শইকীয়া আৰু ৰ'জলীনা তিৰ্কী, নিৰ্দলীয় ৰুবুল বৰা, বিজেপিৰ খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়া আৰু মৃদুল দত্ত, আপৰ আশিস হাজৰিকাৰ নাম উল্লেখযোগ্য।

প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়েও কালি **যোৰহাটত** মনোনয়ন পত্ৰ দাখিল কৰে। অখিল গগৈ আৰু লুৰিণজ্যোতি গগৈয়ে তেওঁক সংগ দিয়ে।

**ডিব্ৰুগড়**ৰ ৬টা বিধানসভা সমষ্টিত কালি ২৪ জন প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। জ্যেষ্ঠ বিজেপি নেতা আৰু মন্ত্ৰী বিমল বৰাক মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত প্ৰাক্তন সাংসদ ৰামেশ্বৰ তেলীয়ে সংগ দিয়ে। তেলীয়ে নিজেও দুলীয়াজান সমষ্টিৰ পৰা বিজেপিৰ প্ৰাৰ্থী হিচাপে মনোনয়ন দাখিল কৰে। নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈক মনোনয়ন দাখিল কৰাৰ সময়ত কালি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সংগ দিয়ে। চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিত পূৰ্বৰ লাহোৱাল সমষ্টিৰ বিধায়ক বিজেপিৰ বিনোদ হাজৰিকাই মনোনয়ন দাখিল কৰে। সমষ্টিটোত কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰাঞ্জল ঘাটোৱাৰৰ সৈতে বিজেপি প্ৰাৰ্থীগৰাকীৰ পোনপটীয়া প্ৰতিদ্বন্দ্বিতা হ'ব।

**তিনিচুকীয়া**ত ২৭ জন প্ৰাৰ্থীয়ে কালি মনোনয়ন দাখিল কৰে। তিনিচুকীয়া সমষ্টিত ৮ জন, নৱগঠিত মাকুম সমষ্টিত ৬ জন, ডিগবৈত ৫ জন, মাৰ্ঘেৰিটা আৰু ডুমডুমাত দুজন আৰু শদিয়াত ৪ জন প্ৰাৰ্থীয়ে ঢোলে-ডগৰে মনোনয়ন দাখিল কৰে।

**ধেমাজিত** কালি মনোনয়ন দাখিলৰ অন্তিম দিনা বিজেপিৰ প্ৰাৰ্থী মন্ত্ৰী ডা০ ৰণোজ পেগু, জীৱন গগৈ আৰু ভুৱন পেগুকে ধৰি সৰ্বমুঠ ১৫ জনে মনোনয়ন দাখিল কৰে। কংগ্ৰেছৰ ৰাজু মেদক, তৃণমূল কংগ্ৰেছৰ নৰেন্দ্ৰ নাথ পাও, নিৰ্দলীয় বাবুল সোণোৱাল আৰু ভোটাৰ্ছ পাৰ্টিৰ ললিত পেগুৱেও কালি মনোনয়ন দাখিল কৰে।

**কামৰূপ** মহানগৰ জিলাৰ ৫টা বিধানসভা সমষ্টিৰ বাবে কালি বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে মনোনয়ন দাখিল কৰে। নিউ গুৱাহাটী সমষ্টিত মনোনয়ন দাখিল কৰি কংগ্ৰেছৰ প্ৰাৰ্থী শান্তনু বৰাই এনেদৰে কয়—

**বাইট (শান্তনু বৰা)**

০০০০০০

তিনিচুকীয়া জিলাৰ জাগুনৰ অসম আৰক্ষীৰ শিবিৰত দেওবাৰে পুৱতি নিশা হোৱা আক্ৰমণৰ ঘটনাৰ বুজ ল'বলৈ অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে কালি তিনিচুকীয়া ভ্ৰমণ কৰে। শ্ৰীসিঙে এই ঘটনাৰ গৰিহণা দিয়াৰ লগতে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰে।

শ্ৰীসিঙে কালি তিনিচুকীয়াত জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ সৈতে আইন-শৃংখলাজনিত বিষয়সমূহ আলোচনা কৰে। জাগুণৰ ঘটনাস্থলী পৰিদৰ্শনৰ পাছত আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে তিনিচুকীয়া আৰক্ষী অতিথিশালাত সেনাবাহিনী আৰু আৰক্ষীৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। তিনিচুকীয়া জিলাৰ লগতে উজনি অসমৰ জিলাকেইখনৰ নিৰাপত্তা পৰিস্থিতি সন্দৰ্ভত আয়োজিত এই বৈঠকত জিলাকেইখনৰ সেনাবাহিনী আৰু আৰক্ষীৰ চোৰাংচোৰাসকলৰ লগতে আৰক্ষী মহা পৰিদৰ্শক জিতমল দলে আৰু ডিব্ৰুগড়ত জ্যেষ্ঠ আৰক্ষী বিষয়া অভিজিত গৌৰৱ দিলীপ তথা তিনিচুকীয়াৰ জ্যেষ্ঠ আৰক্ষী বিষয়া মায়ংক কুমাৰ উপস্থিত থাকে।

০০০০০০

নিৰ্বাচন আয়োগে সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত দূৰদৰ্শন আৰু আকাশবাণীত বিনামুলীয়া সম্প্ৰচাৰৰ বাবে ৰাষ্ট্ৰীয় আৰু আঞ্চলিক দলসমূহক ডিজিটেল ভাউচাৰ আৱণ্টন দি নিৰ্দেশনা জাৰি কৰিছে। জনপ্ৰতিনিধিত্ব আইন ১৯৫১ৰ ক ধাৰাৰ অধীনত অসম, কেৰলম, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগৰ নিৰ্বাচনৰ বাবে এই নিৰ্দেশনা জাৰি কৰা হৈছে। এই অনুসৰি নিৰ্বাচন হ'বলগীয়া ৫ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৰাষ্ট্ৰীয় আৰু আঞ্চলিক ৰাজনৈতিক দলক সম্প্ৰচাৰৰ বাবে নিৰ্দিষ্ট সময়ৰ ডিজিটেল ভাউচাৰ প্ৰদান কৰা হৈছে। এই ব্যৱস্থাৰ অধীনত প্ৰতিটো দলক দূৰদৰ্শন আৰু আকাশবাণীত বিনামুলীয়াকৈ ৪৫ মিনিটতকৈ প্ৰচাৰৰ বাবে নিৰ্ধাৰিত সময় দিয়া হৈছে। পূৰ্বৰ বিধানসভা নিৰ্বাচনত ৰাজনৈতিক দলসমূহৰ ফলাফলৰ ওপৰত ভিত্তি কৰি অতিৰিক্ত সময়ো আৱণ্টন দিয়া হৈছে। দলীয় সম্প্ৰচাৰৰ উপৰি দূৰদৰ্শন আৰু আকাশবাণীত দুটাকৈ আলোচনাৰ অনুষ্ঠান অনুষ্ঠিত হ'ব। প্ৰতিটো ৰাজনৈতিক দলে এই কাৰ্যসূচীৰ বাবে এজনকৈ প্ৰতিনিধি মনোনিত কৰিব পাৰিব। এগৰাকী অনুমোদিত সমন্বয়কে অনুষ্ঠান পৰিচালনা কৰিব। প্ৰাৰ্থী তালিকাৰ প্ৰকাশৰ পৰা ভোটদানৰ দুদিন আগলৈকে এই সম্প্ৰচাৰ কৰিব পৰা যাব। সম্প্ৰচাৰৰ সময়সূচী ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি আৰু মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ বিষয়াসকলৰ উপস্থিতিত লটাৰীৰ জৰিয়তে আগতীয়াকৈ নিৰ্ধাৰণ কৰা হ'ব।

০০০০০০

**সমাপ্ত**